# বুদ্ধিবাদ
# (Rationalism)

বুদ্ধিবাদী দাৰ্শনিক সকলৰ মতে বুদ্ধি বা যুক্তিৰ পৰাই (reason) জ্ঞানৰ উৎপত্তি হয়। ইন্দ্ৰিয় সংবেদনে আমাক প্ৰকৃত জ্ঞান দিব নোৱাৰে কাৰণ ইন্দ্ৰিয় জ্ঞান ক্ষণস্থায়ী আৰু পৰিবৰ্তনশীল। অকল বুদ্ধিয়ে দিয়া জ্ঞানেই সুনিশ্চিত আৰু সাৰ্বিক হব কাৰণ এই জ্ঞান অভিজ্ঞতাপূৰ্ব।

বুদ্ধিবাদৰ প্ৰবৰ্তক হ'ল ৰেনে ডেকাৰ্ট। ডেকাৰ্টৰ মতে জ্ঞান বুদ্ধিত ওপজে। ইংৰাজীত ইয়াক rationalism বা intellectualism বা apriorism নামেৰেও জনা যায়। Apriorism শব্দটো কাণ্টে ব্যৱহাৰ কৰিছে, ইয়াৰ অৰ্থ হ'ল অভিজ্ঞতাপূৰ্ব।

ডেকাৰ্টৰ মতে আমাৰ মন বা বুদ্ধিত কিছুমান প্ৰত্যয় বা ভাব জন্মৰে পৰাই থাকে। যেনে- কাৰণতাৰ প্ৰত্যয়। অসীমতাৰ প্ৰত্যয়, পূৰ্ণ সত্তা, অৰ্থাৎ ঈশ্বৰৰ প্ৰত্যয় আদি। ডেকাৰ্টৰ মতে এই প্ৰত্যয় সমূহ ঈশ্বৰে জন্মৰ সময়ত আমাৰ মনত সুমুৱাই দিয়ে।

ডেকাৰ্টৰ মতে ধাৰণা তিনি প্ৰকাৰৰ। আগন্তুক (Adventitious), কৃত্ৰিম (factitious) আৰু অন্তৰ্জাত ধাৰণা (innate idea) যিবিলাক ধাৰণা ইন্দ্ৰিয়ৰ

মাধ্যমেৰে বৰ্হিজগতৰ পৰা পাওঁ সেইবোৰক আগন্তুক ধাৰণা বোলে। যেনে- নীলা আকাশ, ৰঙা জবা ইত্যাদি। এই ধাৰণাবোৰ ইন্দ্ৰিয়ৰ মাধ্যমেৰে আমাৰ মনলৈ আহে। বিভিন্ন ধাৰণাক পৰস্পৰ সংযোগ কৰি আমাৰ মনে যি নতুন ধাৰণাৰ সৃষ্টি কৰে তাকেই কৃত্ৰিম ধাৰণা বোলে। যেনে- সোণ আৰু পাহাৰৰ ধাৰণা সংযোগ কৰি, মনে সোণৰ পাহৰৰ ধাৰণা সৃষ্টি কৰে। কোনো বাহ্য বস্তু নোহোৱাকৈ যেতিয়া আমাৰ মনে কিছুমান প্ৰত্যয় বা ধাৰণাক মনেৰে সাজি লয় তাক কাল্পনিক প্ৰত্যয় বুলি কোৱা হয়। যেনে ভূতৰ ধাৰণা, আকাশ কুসুমৰ ধাৰণা ইত্যাদি। ডেকাৰ্টে এই দুবিধ প্ৰত্যয়ৰ পৰা পোৱা জ্ঞান অনিশ্চিত আৰু সংশয়পূৰ্ণ বুলি কৈছে। অকল অন্তৰ্জাত প্ৰত্যয়ৰ পৰা হোৱা জ্ঞান নিশ্চিত বুলি কৈছে।

Descartes divided ideas in to three kinds- adventitious ideas, factitious ideas and innate ideas. The ideas imposed on the mind from without or sensation are adventitious, they are not clear and distinct. The ideas created by the mind by the conjunction of ideas are factious. They are the ideas created by the imagination. They are not clear and distinct. But innate ideas are implented by God at the time of our birth. They are self evident.

ডেকাৰ্টে সন্দেহবাদ লৈ তেওঁৰ দৰ্শন আৰম্ভ কৰিছে। সকলো বস্তুকে সন্দেহ কৰি ডেকাৰ্টে প্ৰমাণ কৰিলে যে আত্মা আছে। 'মই ভাবো সেই কাৰণে মই আছো।' (cogito, ergo, sum) আত্মাৰ অস্তিত্ব সত্য কাৰণেই অন্তৰ্জাত ধাৰণাও সত্য। সৰ্বশক্তিমান ঈশ্বৰৰ ধাৰণা এক প্ৰধান উল্লেখযোগ্য অন্তৰ্জাত ধাৰণা।

ডেকাৰ্ট আছিল গণিতজ্ঞ। তেওঁ কয় যে গণিতৰ দৰে দৰ্শনতো জ্ঞান হব লাগিব সত্য, সাৰ্বিক আৰু স্বতঃ প্ৰামাণিক। অৰ্থাৎ যাৰ সত্যতা নিজে নিজে প্ৰমাণিত হয়। গাণিতিক পদ্ধতিক ডেকাৰ্টে দৰ্শনত প্ৰয়োগ কৰা কাৰণেই পলছনে (Paulson) এনে মতবাদক 'গাণিতিক বুদ্ধিবাদ' (Mathematical rationalism) বুলি অভিহিত কৰে। ডেকাৰ্টৰ মতে দৰ্শনত গাণিতিক পদ্ধতি প্ৰয়োগ কৰিলেহে দাৰ্শনিক সত্য গাণিতিক সত্যৰ দৰেই যথাৰ্থ সত্য সুনিশ্চিত

হব। ডেকাৰ্টে বৌদ্ধিক জ্ঞানক কেতিয়াবা অন্তপ্ৰজ্ঞাও (intuition) বুলিছে। বুদ্ধিৰ পৰা ওলোৱা যি স্পষ্ট আৰু কটকটীয়া জ্ঞান থাকে ডেকাৰ্টে অন্তপ্ৰজ্ঞা বুলিছে আৰু অন্তপ্ৰজ্ঞাইহে আমাক নিশ্চিত জ্ঞান দিব পাৰে।